# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-12-2024
**Time :** 1340  Hrs

***Assamese Midday Bulletin***
***Headlines***
**----------------------**

০০০০০০

১।	ভাৰতীয় সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱময় যাত্ৰাক লৈ ৰাজ্যসভাত বিশেষ আলোচনা অনুষ্ঠিত হৈছে।

২।	১৯৭১ চনৰ  ১৬ ডিচেম্বৰত পাকিস্তানৰ বিৰুদ্ধে বাংলাদেশৰ মুক্তিযুদ্ধৰ সোঁৱৰণত আজি দেশখনত বিজয় দিৱস উদযাপন কৰা হৈছে।

৩।	ভাৰত ভ্ৰমণৰত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

৪। অসমত ৰেচন কাৰ্ডৰ জৰিয়তে খাদ্য বিতৰণৰ নতুন আঁচনি ১৭খন জিলাত আৰম্ভ হৈছে।

***আৰু***

৫। ব্ৰীচবেন টেষ্টত অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছৰ ৪৪৫ ৰাণৰ প্ৰত্যুত্তৰত ভাৰত প্ৰাৰম্ভিক বিপৰ্যয়ৰ সন্মুখীন হৈছে।

০০০০০

ৰাজ্যসভাত আজি প্ৰশ্নোত্তৰকাল আৰু শূন্যকাল স্থগিত ৰাখি ভাৰতীয় সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱময় যাত্ৰাক লৈ বিশেষ আলোচনা আৰম্ভ হৈছে। আলোচনাৰ আৰম্ভণিতে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে সংবিধান সভাৰ ১৫ গৰাকী মহিলা সদস্যক বিশেষ স্বীকৃতি প্ৰদান কৰাৰ লগতে সংবিধান সভাৰ সকলো সদস্যলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ কয় যে, এই পবিত্ৰ নথিত লিপিবদ্ধ চেতনাক পুনৰুজ্জীৱিত কৰি নতুন ভাৰত গঢ়ি তোলাৰ বাবে সংকল্পবদ্ধ হোৱাৰ সময় সমাগত। শ্ৰীমতী সীতাৰমণে কয় যে ভাৰতৰ অভিজ্ঞতাই দেশৰ সংবিধান শক্তিশালী হৈয়ে আছে বুলি প্ৰতীয়মান কৰে। সংসদত এই বিষয়টো লৈ আলোচনা অব্যাহত আছে।

ইয়াৰ পূৰ্বে সংসদৰ নৱনিৰ্বাচিত সদস্য টিডিপিৰ মস্তান ৰাও যাদৱ বীধা ,সনা সতীশ বাবু আৰু টিএমচিৰ সাংসদ ৰীতাব্ৰত বেনাৰ্জীৰ সৈতে বিজেপিৰ ৰিয়াগা কৃষ্ণইয়া, ৰেখা শৰ্মা আৰু সুজিত কুমাৰে শপত গ্ৰহণ কৰে

০০০০০

ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে দান কৰা কাগজ পত্ৰসমূহকংগ্ৰেছ দলৰ প্ৰাক্তন সভানেত্ৰী ছোনিয়া গান্ধীয়ে ২০০৮ চনত প্ৰধানমন্ত্ৰী সংগ্ৰহালয় আৰু পুথিভঁৰালৰ পৰা লৈ যোৱা বুলি

সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰিৰ পিছতে আজি বিজেপিয়ে কংগ্ৰেছ দলক কঠোৰভাৱে সমালোচনা কৰে।প্ৰধানমন্ত্ৰী সংগ্ৰাহালয় আৰু পুথিভঁৰালৰ সদস্য আৰু ইতিহাসবিদ ৰিজৱান কাদ্ৰীয়ে শেহতীয়াকৈ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীলৈ পত্ৰ প্ৰেৰণ কৰি কাগজ পত্ৰ সমূহ ঘূৰাই দিবলৈ অনুৰোধ জনাইছিল। সংসদ ভৱনৰ বাহিৰত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা–বতৰাত বিজেপিৰ মুখপাত্ৰ সম্বিত পাত্ৰই কয় যে প্ৰাক্তন প্ৰধানমন্ত্ৰী নেহৰুৱে এডৱিনা মাউন্টবেটেন, জয়প্ৰকাশ নাৰায়ণকে ধৰি কেইবাগৰাকী ব্যক্তিলৈ লিখা ৫১ কাৰ্টন চিঠি ছোনিয়া গান্ধীয়ে ইউ পি এৰ অধ্যক্ষ হৈ থকাৰ সময়ত ওভতাই লৈ গৈছিল। তেওঁ লগতে ২০১০ চনত সকলো নথি–পত্ৰ ডিজিটেলাইজ কৰা হ'ব বুলি সিদ্ধান্ত লোৱাৰ পাছত ছোনিয়া গান্ধীয়ে কিয় খৰখেদাকৈ চিঠিসমূহ ওভতাই নিলে বুলি প্ৰশ্ন উত্থাপন কৰে

ইফালে কংগ্ৰেছে বিজেপিক প্ৰত্যুত্তৰ দি কয় যে শাসকীয় দলটোৱে এটা আগশাৰীৰ ব্যৱসায়িক গোটৰ বিৰুদ্ধে উৎকোচৰ অভিযোগৰ সৈতে জড়িত বিষয়টোৰ পৰা ফালৰি কটাৰ চেষ্টা কৰিছে। সংসদৰ বাহিৰত সংবাদ মাধ্যমৰ আগত দলৰ সাংসদ ইমৰাণ মাচুদে এই বিষয়টোৰ পৰা অন্য দিশলৈ ঠেলি দিয়াটো বিজেপিৰ ৰাজনৈতিক অভিসন্ধি বুলিও মন্তব্য কৰে।

০০০০০

বাংলাদেশৰ তত্ত্বাৱধায়ক চৰকাৰৰ মুৰব্বী ড০ মহম্মদ ইউনুছে অহা বছৰৰ শেষ ভাগ অথবা ২০২৬ ৰ প্ৰথমভাগত দেশখনত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ সম্ভাৱনা ব্যক্ত কৰিছে। বাংলাদেশৰ বিজয় দিৱস উপলক্ষে টেলিভিছনক দিয়া এটা সাক্ষাৎকাৰত ড০ ইউনুছে কয় যে নিৰ্বাচনী সংস্কাৰ আয়োগ আৰু সংবিধান সংস্কাৰ আয়োগৰ পৰামৰ্শৰ আধাৰত নিৰ্বাচনী বিধিৰ সংশোধন ঘটোৱা হ'ব আৰু তাৰ পাছতহে দেশখনত পৰৱৰ্তী সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা যাব।

উল্লেখযোগ্য যে বাংলাদেশৰ অন্যতম প্ৰধান ৰাজনৌতিক দল – বাংলাদেশ নেচনেলিষ্ট পাৰ্টী চমুকৈ বি এন পিয়ে দেশখনত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ যোৱা তিনিমাহ ধৰি তত্ত্বৱধায়ক চৰকাৰৰ ওপৰত হেচা প্ৰয়োগ কৰি আহিছে। ০০০০০

০০০০০

ৰাজ্যৰ দৰিদ্ৰ জনসাধাৰণৰ বাবে গ্ৰহণ কৰা চৰকাৰৰ অৰুণোদয় আঁচনিৰ ব্যৱস্থাৰ পৰিৱৰ্তন হ'ব। কালি সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীৰ উদ্বোধন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে পূৰ্বে অৰুণোদয় আঁচনিৰ সুবিধা লাভৰ বাবে ৰেচন কাৰ্ডৰ প্ৰয়োজন হোৱা নাছিল। কিন্তু এতিয়াৰে পৰা আঁচনিখনৰ সুবিধা লাভৰ বাবে ৰেচন কাৰ্ডৰ প্ৰয়োজন হ'ব।

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অসম মন্ত্ৰী সভাৰ সিদ্ধান্ত অনুসৰি এই নতুন ৰেচন কাৰ্ড বিতৰণৰ আনুষ্ঠানিক কাৰ্যসূচীৰ প্ৰথম পৰ্যায় প্ৰায় ৭ লাখতকৈ অধিক নতুন হিতাধিকাৰীয়ে খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ডৰ সুবিধা লাভ কৰিব। আনহাতে ডিচেম্বৰ মাহত ভিতৰতে নতুনকৈ ৰেচন কাৰ্ড লাভ কৰা পৰিয়ালসমূহৰ প্ৰতিগৰাকী সদস্যই ৫ কিলোগ্ৰামকৈ বিনামূলীয়া চাউল লাভ কৰিব বুলি তেওঁ কয়। উল্লেখযোগ্য যে নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ত অসম কামৰূপ মহানগৰৰ বজালী, বিশ্বনাথ, চৰাইদেউ, ডিব্ৰুগড়, গোলাঘাট,

হাইলাকান্দি, হোজাই, যোৰহাট, লখিমপুৰ, মাজুলী, নলবাৰী, শিৱসাগৰ, শোণিতপুৰ, দক্ষিণ শালমাৰা, শ্ৰীভূমি, তিনিচুকীয়া, পশ্চিম কাৰ্বি আংলং জিলাকো সামৰি লোৱা হৈছে।

০০০০০০

নেপালৰ সেনাবাহিনীৰ মুৰব্বী জেনেৰেল অশোক ৰাজ ছিগডেল ভাৰত ভ্ৰমণৰ আনুষ্ঠানিক সামৰণি মাৰি কাঠমাণ্ডুলৈ উভতি গৈছে। যোৱা বৃহস্পতিবাৰে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জেনেৰেল ছিগডেলক ভাৰতীয় সেনাৰ সন্মানীয় জেনেৰেলৰ পদবী প্ৰদান কৰে।
ভাৰত ভ্ৰমণৰ সময়ত চিগডেলে ডেৰাডুনৰ ভাৰতীয় সামৰিক একাডেমীত অফিচাৰ কেডেটৰ দীক্ষান্ত পেৰেডত পৰ্যবেক্ষণকাৰী বিষয়া হিচাপে অংশগ্ৰহণ কৰে। একাডেমীত প্ৰশিক্ষণ লৈ থকা ৩৫ জন বিদেশী বিষয়া কেডেটৰ ভিতৰত নেপালৰ সেনাবাহিনীৰ বিষয়া, কেডেট প্ৰবীণ পাণ্ডেক "শ্ৰেষ্ঠ বিদেশী বিষয়া কেডেট বঁটা" প্ৰদান কৰা হয়।নেপালৰ সেনাবয়ৰ মুৰব্বী ছিগদেলে, নতুনকৈ সেনাবাহিনীৰ প্ৰশিক্ষণ সম্পূৰ্ণ কৰা বিষয়া আৰু তেওঁলোকৰ গৌৰৱান্বিত অভিভাৱকসকলক অভিনন্দন জনোৱাৰ লগতে, তেওঁলোকক সেনাবাহিনীৰ সৰ্বোচ্চ পৰম্পৰা আৰু নীতিসমূহ ৰক্ষা কৰি দৃষ্টান্ত সৃষ্টিকাৰী নেতা হোৱাৰ প্ৰয়াস চলাবলৈ আহ্বান জনায়।জেনেৰেল অশোকে ভাৰতীয় সামৰিক একাডেমিৰ যুদ্ধ স্মাৰকত বীৰ সেনানীসকলৰ প্ৰতি শ্ৰদ্ধা জনাই মাল্যাৰ্পন কৰে।

শ্ৰী ছিগদেলে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল আৰু প্ৰতিৰক্ষা বাহিনীৰ মুৰব্বী অনিল চৌহান,সেনাবাহিনীৰ মুৰব্বী উপেন্দ্ৰ দ্বিবেদীৰ উপৰি প্ৰতিৰক্ষা আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়য়ৰ শীৰ্ষ বিষয়াৰ সৈতে টেলিফোনযোগে পৃথকে পৃথকে সৌজন্যসূচক ভাৱ বিনিময় কৰে

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰত ভ্ৰমণৰত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কে আজি নতুন দিল্লীত দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাৰ আলোচনাত ঘাইকৈ বিষয়সমূহে স্থান লাভ কৰিব। ইয়াৰ পূৰ্বে আজি পুৱা ৰাষ্ট্ৰপতি ভৱনৰ বাকৰিত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰীলংকাৰ অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনায়। তিনিদিনীয়া ভ্ৰমণসূচীৰে কালি ভাৰতলৈ অহা ৰাষ্ট্ৰপতিগৰাকীয়ে আজি সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ক সাক্ষাৎ কৰাৰ কথা। তেওঁ বিহাৰৰ বুদ্ধ গয়াও ভ্ৰমণ কৰিব। ৰাষ্ট্ৰপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰী দিশা নায়কৰ এইটোৱেই প্ৰথম ভাৰত ভ্ৰমণ। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে এই ভ্ৰমণে বহুপাক্ষিক আৰু পাৰস্পৰিক সহযোগিতা বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। শ্ৰী দিশা নায়কে নতুন দিল্লীত ভাৰত আৰু শ্ৰীলংকাৰ মাজত বাণিজ্য আৰু ব্যৱসায়িক সংযোগ শক্তিশালী কৰাৰ বাবে এটা ব্যৱসায়িক অনুষ্ঠানতো অংশ ল'ব। উল্লেখযোগ্য যে ভাৰত আৰু শ্ৰীলংকাৰ মাজত পাৰস্পৰিক বাণিজ্য ২০২৩-২৪ বৰ্ষত ৫ দশমিক ৫ বিলিয়ন ডলাৰলৈ বৃদ্ধি পাইছে। শ্ৰীলংকা ভাৰত মহাসাগৰীয় অঞ্চলত ভাৰতৰ নিকটতম সামুদ্ৰিক প্ৰতিবেশী হোৱাৰ সূত্ৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিবেশী প্ৰথম নীতি আৰু সাগৰ শীৰ্ষক দৃষ্টিভংগীত দেশখনে অগ্ৰাধিকাৰ লাভ কৰি আহিছে।

০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ব্ৰিছবেনত চলি থকা তৃতীয় টেষ্টৰ আজি তৃতীয় দিনা ভাৰতে অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছৰ ৪৪৫ ৰাণৰ বিশাল লক্ষ্য অনুসৰণ কৰি প্ৰাৰম্ভিক বিপৰ্যয় সন্মুখীন হৈছে। আজি চাহ বিৰতিৰ পাছত বৰষুণৰ বাবে খেল স্থগিত ৰাখিবলগা হোৱা অৱস্থাত ভাৰতে প্ৰথম ইনিংছত ৪ উইকেটৰ বিনিময়ত ৫১ ৰান সংগ্ৰহ কৰিছিল। কে এল ৰাহুলে ৩৩ ৰাণ আৰু অধিনায়ক ৰোহিত শৰ্মাই কোনো ৰাণ নকৰাকৈ বেট ধৰি আছিল। যশস্বী জয়শোৱালে ৪, শুভমন গিলে ১, বিৰাট কহলিয়ে ৩ আৰু ৰিষভ পণ্টে ৯ ৰাণ কৰি আউট হয়। ইয়াৰ আগতে কালি সংগ্ৰহ কৰা ৪০৫ ৰাণৰ পৰা খেলিবলৈ লৈ অষ্ট্ৰেলিয়াই আৰু ৪০ ৰাণ যোগ দিয়াৰ পাছত বাকী তিনিটা উইকেটৰো পতন ঘটে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ৭৬ ৰাণত ৬টা উইকেট দখল কৰে। খেলখনৰ আৰু দুটা দিন বাকী থকা অৱস্থাত ভাৰত অষ্ট্ৰেলিয়াতকৈ  প্ৰথম ইনিংছত ৩৯৪ ৰাণত পিছপৰি আছে।

০০০০০

সমাপ্ত